# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 06-11-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

\- - - - - - - - - - - - -

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ১৫ দিনীয়া জল উৎসৱ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলৰ তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নীতি আয়োগে প্ৰকাশ কৰা মতে দেশৰ ২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত আজিৰেপৰা ২৪ নৱেম্বৰলৈ ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ আৰু জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ আয়োজন কৰা হৈছে। দেশৰ মুঠ ২০ খন ৰাজ্যত আৰম্ভ হোৱা এই অভিযানৰ জৰিয়তে জল সংৰক্ষণ আৰু জল সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ বিচৰা হৈছে। জল ব্যৱস্থাপনা কাৰ্যকলাপত পৰিয়াল তথা সম্প্ৰদায়ৰ ভিতৰত পৰিৱৰ্তনৰ অনুঘটক হিচাপে কাম কৰিবলৈ এই অভিযানে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োগ কৰিছে।

ডিমা হাছাও জিলাতো আজি জল উৎসৱ অভিযান আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত তথা জাতিংগা উপত্যকা অভিলাসী উন্নয়ন খণ্ডৰ সহযোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰসমূহত সামূহিক অংশগ্ৰহণ সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে। আজি এই অনুষ্ঠানৰ শুভাৰম্ভ কৰি এই কাৰ্যসূচীৰ বাবে নীতি আয়োগৰ ৰাজ্যিক ন'ডেল বিষয়া মৈত্ৰেয়ী মিশ্ৰই জিলাখনৰ এন লেইকুল জনজাতীয় সম্প্ৰদায়ে এই ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰে। অনুষ্ঠানত জিলাখনৰ আয়ুক্তই নিজৰ ভাষণত স্থানীয় লোকসকলক বিশেষ মহিলাসকলক বহনক্ষম জলব্যৱস্থাপনা অভ্যাস গঢ়ি তোলাৰ বাবে উৎসাহ যোগায়। উল্লেখযোগ্য যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তথ্য অনুসৰি অঞ্চলটোত ৩৬ হাজাৰ ৫৩৬টা খোৱাপানীৰ নল কাৰ্যক্ষম হৈ আছে। আজি শুভাৰম্ভ কৰা এই অভিযানৰ সহায়ত ৰাজ্যখনৰ জলব্যৱস্থাপনা প্ৰক্ৰিয়া সক্ৰিয় আৰু নিয়াৰিকৈ পৰিচালনা কৰিবলৈ লক্ষ্য লোৱা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে অসম আৰু মেঘালয়ৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সীমা বিবাদৰ সমাধান সূত্ৰ বিচাৰি আজি গুৱাহাটীত এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। বৈঠকত দুয়োখন ৰাজ্যৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে গৃহ সচিবগৰাকীয়ে কালি অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কইনাধৰাত অনুষ্ঠিত বৈঠকখনত শ্ৰী মোহনে মুখ্য সচিব ৰবি কোটা আৰু অন্য শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত আলফা, আদিবাসী, কাৰ্বি আৰু ডিমা নেচনেল লিবাৰেচন আৰ্মীৰ সৈতে জড়িত চুক্তিৰ পৰ্যালোচনা চলায়। গৃহ সচিবগৰাকীয়ে লগতে আত্মসমৰ্পণ কৰা বিভিন্ন গোটৰ উগ্ৰপন্থীসকলৰ

পুনৰসংস্থাপনৰ সৈতে জড়িত বিভিন্ন বিষয়ৰো পৰ্যালোচনা কৰে। আলফাৰ শান্তি চুক্তিক লৈ সংগঠনটোৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সম্পাদক অনুপ চেতিয়াই গৃহ সচিবৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সংবাদ মাধ্যমেৰে হোৱা কথা-বতৰাত অনুপ চেতিয়াই কয় যে শান্তি চুক্তিৰ বিষয়সমূহ কাৰ্যকৰী কৰাৰ সন্দৰ্ভতেই আলোচনা কৰা হৈছিল। দিনজোৰা এই বৈঠকৰ পাছত কেন্দ্ৰীয় গৃহ সচিব গৰাকীয়ে আত্মসমৰ্পণকাৰী উগ্ৰপন্থী সংগঠনৰ সদস্যসকলৰ পুনৰ সংস্থাপনৰ বিষয়টোও চৰকাৰৰ সৈতে আলোচনা কৰে।

০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে মাজত ৬টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিজৰ ভাষণত ড০ শৰ্মাই বিটিআৰত সুদীৰ্ঘ দিনৰ হিংসাত্মক পৰিস্থিতিৰ পাছত শান্তি প্ৰতিষ্ঠা হৈছে বুলি উল্লেখ কৰি অনুষ্ঠানটোত শান্তি আৰু উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাতো অংশগ্ৰহণ কৰে। আজি চিদলী বিধানসভাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কেইবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতাৰ লগতে ইউ পি পি এল দলেও নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। ইপিনে মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ বিহালী পঞ্চায়তত প্ৰচাৰ চলায়।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি বঙাইগাঁৱত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী বৰাই উন্নয়নৰ আৰু সুশাসনৰ স্বাৰ্থত দলৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। ইপিনে কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে আজি চামগুৰি সমষ্টিৰ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ সভাত অংশ লয়। সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত আজি মন্ত্ৰী বিমল বৰাই এখন সংবাদমেলত ভাগ লোৱাৰ লগতে প্ৰচাৰ চলায়।

০০০০০

যোৰহাটৰ তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত আজি কৃষক দিৱস উদযাপন কৰা হয়। দিৱসৰ কাৰ্যসূচীত অংশ লৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই কয় যে প্ৰাকৃতিক কৃষিৰ জৰিয়তে পুৰণি ধানৰ জাতসমূহ সংৰক্ষণ কৰি কৃষি পৰম্পৰাৰ লগতে কৃষকৰ সামগ্ৰিক উত্তৰণৰ ব্যৱস্থা কৰাটো অতি জৰুৰী হৈ পৰিছে। বতৰৰ প্ৰতিকূল পৰিস্থিতিৰ লগত খাপ খাব পৰা গুণৰ ধানৰ খেতি কৰি অধিক উপকৃত হ'ব পৰা যায় বুলিও তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে জীৱামৃত আৰু বীজামৃতৰ দৰে উপাদানৰ জৰিয়তে খেতি কৰি কৃষি ক্ষেত্ৰত পৰিৱৰ্তন আনিব পৰা যায়। গৱেষণা কেন্দ্ৰটোৰ পামত অনুষ্ঠিত আজিৰ কাৰ্যসূচীত কৃষি বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালক ড০ সঞ্জয় কুমাৰ চেতিয়াকে ধৰি কৃষি বিভাগৰ কেইবাজনো জ্যেষ্ঠ বিষয়া তথা প্ৰগতিশীল কৃষকে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত